**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-10-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতবৰ্ষ সুস্থিৰতা আৰু সংবেদনশীলতাৰ প্ৰতীক হৈ উঠিছে বুলি দাবী কৰিছে।

২। এটা শক্তিশালী আৰক্ষী বাহিনীয়েহে এখন শক্তিশালী ৰাষ্ট্ৰ গঢ়িব পাৰে আৰু এয়াই চৰকাৰৰো লক্ষ্য বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে।

৩। জি এছ্ টি সংস্কাৰৰ ফলত দেশৰ যান-বাহন খণ্ড উপকৃত হৈছে।

৪। জাপানৰ সংসদে নতুন ইতিহাসৰ সূচনা কৰি ছানায়ে টাকাই চিক দেশখনৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচন কৰিছে।

আৰু

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি দক্ষিণ আফ্ৰিকা পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ বিশ্ব ভালেমান বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ সময়ত ভাৰতবৰ্ষ সুস্থিৰতা আৰু সংবেদনশীলতাৰ প্ৰতীক হৈ উঠিছে বুলি দাবী কৰিছে। দেৱালী উপলক্ষে দেশৰ জনসাধাৰণলৈ লিখা এখন পত্ৰত শ্ৰী মোদীয়ে কয়, যে ভাৰত অদূৰ ভৱিষ্যতে বিশ্বৰ তৃতীয় সৰ্ববৃহৎ অৰ্থ ব্যৱস্থা হোৱাৰ দিশত অগ্ৰসৰ হৈছে। বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰতৰ এই যাত্ৰাত দেশৰ নাগৰিক হিচাপে ৰাষ্ট্ৰৰ প্ৰতি কৰ্তব্য পালন কৰাটো সকলোৰে প্ৰাথমিক দায়িত্ব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০০০০

এটা শক্তিশালী আৰক্ষী বাহিনীয়েহে এখন শক্তিশালী ৰাষ্ট্ৰ গঢ়িব পাৰে আৰু এয়াই চৰকাৰৰো লক্ষ্য বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে। আৰক্ষীৰ স্মৃতি দিৱস উপলক্ষে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰীয় আৰক্ষী স্মাৰকত ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে সেনা বাহিনী আৰু আৰক্ষী বাহিনীৰ মঞ্চ ভিন ভিন হ'ব পাৰে, কিন্তু তেওঁলোকৰ মিছন এটাই আৰু সেয়া হৈছে ৰাষ্ট্ৰীয় সুৰক্ষা। তেওঁ কয়, যে সেনা বাহিনীয়ে দেশক সুৰক্ষিত কৰে আৰু আৰক্ষীয়ে সমাজক সুৰক্ষিত কৰে। সেনা বাহিনীয়ে ভৌগোলিক অখণ্ডতা নিশ্চিত কৰাৰ বিপৰীতে আৰক্ষীয়ে দেশৰ সামাজিক সংহতি সুৰক্ষিত কৰে বুলি শ্ৰী সিঙে মন্তব্য কৰে। তেওঁ কয়, যে বৰ্তমান সময়ত আৰক্ষীয়ে সমাজত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ লগতে ধাৰণাৰ বিৰুদ্ধেও যুঁজ দিবলগীয়া হয়। তেওঁ সশস্ত্ৰ বাহিনী আৰু আৰক্ষী বাহিনীসমূহক ৰাষ্ট্ৰীয় সুৰক্ষাৰ স্তম্ভ বুলি অভিহিত কৰে।

শ্ৰী সিঙে কয়, যে সমাজত নতুন নতুন অপৰাধ, সন্ত্ৰাসবাদ আৰু আদৰ্শবাদৰ যুঁজৰ সূচনা হৈছে। তেওঁ কয়, যে অপৰাধ অধিক সংগঠিত, ধূসৰ আৰু জটিল হৈ উঠিছে আৰু দেশৰ সুস্থিৰতা আৰু আস্থা নাইকীয়া কৰি সমাজৰ অশান্তি সৃষ্টি কৰাই ইয়াৰ মূল উদ্দেশ্য। অপৰাধ ৰোধ কৰাৰ আনুষ্ঠানিক দায়িত্ব পালনৰ লগতে সমাজত আস্থা বৰ্তাই ৰখাৰ নৈতিক দায়িত্বও পালন কৰাৰ বাবে শ্ৰী সিঙে আৰক্ষী বাহিনীক ভূয়সী প্ৰশংসা কৰে। তেওঁ কয়, যে আৰক্ষী, চি আৰ পি এফ, বি এছ্ এফ আৰু স্থানীয় প্ৰশাসনৰ সন্মিলিত প্ৰচেষ্টাৰ বাবেই বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকাসমূহত সমস্যা অধিক গুৰুতৰ হ'ব পৰা নাই আৰু সেই অঞ্চলৰ জনসাধাৰণে স্বস্তিৰ সকাহ লাভ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে অহা বছৰ মাৰ্চৰ ভিতৰত বাওঁপন্থী উগ্ৰবাদৰ সমস্যাৰ অৱসান ঘটিব বুলি আস্থা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে এইবছৰ কেইবাগৰাকীও শীৰ্ষ নক্সালবাদী নেতাক নিধন কৰা হৈছে আৰু বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত জিলাৰ সংখ্যা চকুত লগা ধৰণে হ্ৰাস পাইছে। এসময়ত বাওঁপন্থী উগ্ৰবাদৰ বাবে বেয়াকৈ ক্ষতিগ্ৰস্ত এলেকাসমূহো সম্প্ৰতি বিকাশৰ কেন্দ্ৰলৈ ৰূপান্তৰিত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি চোৰাংচোৰা ব্যুৰ'ৰ সঞ্চালক তপন ডেকাই কয়, যে যোৱা বছৰ কৰ্তব্য সম্পাদনৰ সময়ত ১৯১ গৰাকী আৰক্ষী কৰ্মীয়ে প্ৰাণ হেৰুৱাইছে। তেওঁ কয়, যে স্বাধীনতা লাভৰে পৰা কৰ্তব্য সম্পাদনৰ খাতিৰত মুঠ ৩৬ হাজাৰ ৬৮৪ গৰাকী আৰক্ষী কৰ্মীয়ে চৰম বলিদান দিছে। অনুষ্ঠানত কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী বণ্ডি সঞ্জয় কুমাৰ, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু কেন্দ্ৰীয় আৰক্ষী সংস্থাসমূহৰ মুৰববীসকলো উপস্থিত থাকে। এই উপলক্ষে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু দিল্লী আৰক্ষীয়ে যৌথ কুছ-কাৱাজৰো আয়োজন কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি আৰক্ষী স্মৃতি দিৱস উপলক্ষে আৰক্ষী কৰ্মীসকলৰ অদম্য সাহস আৰু চৰম বলিদানৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যমযোগে কয়, যে দেশৰ সুৰক্ষা আৰু জনসাধাৰণৰ কল্যাণৰ প্ৰতি আৰক্ষী কৰ্মীসকলৰ অভূতপূৰ্ব প্ৰতিশ্ৰুতিবদ্ধতা সন্মানৰ উৎস স্বৰূপ। তেওঁ কয়, যে যিকোনো সংকট আৰু মানৱীয় আৱশ্যকতাৰ সময়তো সেৱাৰ প্ৰতি প্ৰদৰ্শন কৰা নিষ্ঠা আৰু তৎপৰতাৰে আৰক্ষীয়ে সাহসিকতা, দয়া, কৰুণা আৰু কৰ্তব্যনিষ্ঠাৰ নিদৰ্শন দেখুৱাই আহিছে।

লাডাখত হট স্প্ৰিংছত অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত চীনা বাহিনীয়ে চলোৱা অতৰ্কিত আক্ৰমণত প্ৰাণ হেৰুওৱা ১০ গৰাকী বীৰ আৰক্ষী কৰ্মীলৈ শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে প্ৰতিবছৰে ২১ অক্টোবৰৰ দিনটো আৰক্ষী স্মৃতি দিৱস হিচাপে পালন কৰা হয়।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৬ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কী বাতৰ ১২৭ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০-১১-৭৮০০ বিনামূলীয়া নম্বৰত ফোন কৰি এই খণ্ডটিৰ বাবে দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ আৰু মাই গভ মুকলি মঞ্চৰ যোগেদিও দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। ২৪ অক্টোবৰ পৰ্যন্ত আগবঢ়োৱা দিহা-পৰামৰ্শসমূহ আগবঢ়োৱা হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা জি এছ টি অৰ্থাৎ সামগ্ৰী আৰু সেৱা কৰ সঞ্চয় উৎসৱ যোৱা ২২ ছেপ্টেম্বৰত আৰম্ভ হৈছে। ইয়াৰ পৰা সমাজৰ সকলো শ্ৰেণীৰ লোক লাভান্বিত হৈছে। দেশৰ যান-বাহন খণ্ডৰ সুদৃঢ়কৰণৰ ক্ষেত্ৰত জি এছ টি সংস্কাৰৰ সুফল দেখিবলৈ পোৱা গৈছে।

পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ অধীনত চৰকাৰে যান-বাহন খণ্ডৰ বাবে যথেষ্ট কৰ সকাহৰ ঘোষণা কৰিছে। কৰৰ নতুন গাঁথনি অনুসৰি এহেজাৰ ৮০০ চি চিতকৈ কম ক্ষমতাযুক্ত ইঞ্জিন বিশিষ্ট ট্ৰেক্টৰৰ ওপৰত ৫ আৰু এহেজাৰ ৮০০ চি চিতকৈ অধিক ক্ষমতাযুক্ত ইঞ্জিনৰ টেক্টৰৰ ক্ষেত্ৰত ১৮ শতাংশ কৰ আৰোপ কৰা হৈছে। টায়াৰ আৰু গিয়াৰৰ দৰে টেক্টৰ নিৰ্মাণত ব্যৱহৃত যন্ত্ৰাংশৰ ওপৰত আৰোপিত কৰ ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। বাছ আৰু ট্ৰাক তথা ডেলিভাৰী বাহনকে ধৰি বাণিজ্যিক সামগ্ৰী পৰিবহণ বাহনৰ ওপৰত আৰোপিত কৰো ১৮ শতাংশলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ পূৰ্বে এনে বাহনসমূহৰ ক্ষেত্ৰত ২৮ শতাংশ কৰ আৰোপ কৰা হৈছিল। চৰকাৰে লগতে মটৰ গাড়ী আৰু বাইক নিৰ্মাণৰ বাবে ব্যৱহৃত যন্ত্ৰাংশৰ ক্ষেত্ৰত আৰোপিত কৰ ১৮ শতাংশলৈ কম কৰিছে। একেদৰে বাইক আৰু সৰু গাড়ীৰ ওপৰত আৰোপিত কৰো ১০ শতাংশলৈ হ্ৰাস কৰা হৈছে। কৰৰ হাৰ হ্ৰাস কৰাৰ ফলত এনে বাহনসমূহ বহনসাধ্য হৈ পৰিছে আৰু বাহন আৰু যন্ত্ৰাংশ সমূহৰ চাহিদাও বৃদ্ধি পাইছে। বাহনসমূহৰ কৰ যুক্তিসংগত কৰাৰ ফলত পৰিবহণ ব্যয় হ্ৰাস পাইছে আৰু ৰপ্তানিৰ ক্ষেত্ৰখন অধিক প্ৰতিযোগিতামূলক হৈ উঠিছে।

০০০০০০০০০

জাপানৰ সংসদে নতুন ইতিহাসৰ সূচনা কৰি ছানায়ে টাকাইচিক দেশখনৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচন কৰিছে। লিবাৰেল ডেম'ক্ৰেটিক পাৰ্টীৰ নেত্ৰী টাকাইচিয়ে পুৰণি মিত্ৰদল কমেইট'ৰ পৰা পৃথক হোৱাৰ পাছত জাপান ইন ইন'ভেচন পাৰ্টী- জে আই পিৰ সৈতে এখন নতুন চৰকাৰ গঠন কৰিব। তেওঁ আজি বিয়লি আনুষ্ঠানিকভাৱে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিব।

টাকাইচিয়ে দেশখনৰ উচ্চ সদনত প্ৰয়োজনীয় ভোটতকৈ মাত্ৰ এটা ভোট বেছি অৰ্থাৎ ১২৫ টা ভোট লাভ কৰে। ইয়াৰ পূৰ্বে তেওঁ নিম্ন সদনত ২৩৭ টা ভোট লাভ কৰিছিল। নিম্ন সদনত তেওঁক ২৩৩ টা ভোটৰ আৱশ্যকতা আছিল। টাকাইচিয়ে একতাৰ সংকেত দি সকলো প্ৰধান প্ৰতিদ্বন্দ্বীক অন্তৰ্ভুক্ত কৰি মন্ত্ৰীসভা গঠন কৰিছে। এই অনুসৰি চিঞ্জিৰ' কইজুমি প্ৰতিৰক্ষা মন্ত্ৰী, হয়াচি য়চিমাছা অভ্যন্তৰীণ পৰিক্ৰমা আৰু যোগাযোগ মন্ত্ৰী, টোছিমিট্ছু ম'টেগি বিদেশ মন্ত্ৰী, ছৎছুকি কাত্যামা দেশখনৰ পৰৱৰ্তী বিত্তমন্ত্ৰী হ'ব। নতুন এল ডি পি - জে আই পি মিত্ৰজোঁটে অৰ্থনৈতিক সংস্কাৰ, ৰাষ্ট্ৰীয় সুৰক্ষা শক্তি আৰু বিদেশ নীতিত বিশেষ গুৰুত্ব আৰোপ কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছানে টাকাইচিক অভিনন্দন জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে ভাৰত-জাপান বিশেষ কৌশলগত আৰু গোলকীয় সহযোগিতা সুদৃঢ় কৰাৰ বাবে টাকাইচিৰ সৈতে ঘনিষ্ঠ সহযোগিতাৰে কাম কৰিবলৈ তেওঁ আগ্ৰহেৰে বাট চাই আছে। ভাৰত-প্ৰশান্ত মহাসাগৰ আৰু ইয়াৰ ওচৰৰ অঞ্চলসমূহত শান্তি, সুস্থিৰতা আৰু সমৃদ্ধিৰ বাবে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী হোৱাটো জৰুৰী বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০০০০০

চৰকাৰে গুজৰাট আৰু হাৰিয়ানাৰ গ্ৰাম্য স্থানীয় নিকায়সমূহৰ সৱলীকৰণৰ বাবে পঞ্চদশ বিত্ত আয়োগৰ অনুদান হিচাপে ৭৩১ কোটিৰো অধিক টকা মোকলাই দিছে। ইয়াৰে ভিতৰত গুজৰাটে ২০২৪-২৫ বৰ্ষৰ সংযুক্ত অনুদানৰ দ্বিতীয় কিস্তি হিচাপে প্ৰায় ৫২২ কোটি টকা লাভ কৰিছে। একেদৰে ৰাজ্যখনে একেটা বছৰৰ প্ৰথম কিস্তিৰ বাকী অংশৰ বাবে প্ৰায় ১৩ কোটি টকা লাভ কৰিছে। হাৰিয়ানাই ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে সংযুক্ত প্ৰথম কিস্তি হিচাপে প্ৰায় ১৯৫ কোটি টকা লাভ কৰিছে।

০০০০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত দক্ষিণ আফ্ৰিকা পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱানিশা নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্পৰ্টছ একাডেমীত অনুষ্ঠিত এখন খেলত শ্ৰীলংকাই বাংলাদেশক ৭ ৰানত পৰাস্ত কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ শ্ৰীলংকাই ৪৮ অ'ভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২০২ ৰান কৰে। প্ৰত্যুত্তৰত বাংলাদেশে ৪৫ অভাৰ আৰু এটা বলত ৪ উইকেটৰ বিনিময়ত ১৭৬ ৰানৰ শক্তিশালী প্ৰদৰ্শন কৰে যদিও অৱশেষত নিৰ্ধাৰিত অভাৰত ৯টা উইকেট হেৰুৱাই ১৯৫ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০

সমাপ্ত